**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ আজি অন্তিম দিনা বিজেপিকে ধৰি বিৰোধী দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। বিজেপি দলৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী কেশৱ মহন্ত আৰু সমৰ্থকৰ উপস্থিতিত যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল কৰাৰ আগমুহূৰ্তত মুখ্যমন্ত্ৰীগৰাকীয়ে জনসভা সম্বোধন কৰি তপন কুমাৰ গগৈক জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়।

১০ নম্বৰ কাজিৰঙা লোকসভা সমষ্টিত অন্তিম দিনা ৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত এই সমষ্টিৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাই মনোনয়ন দাখিল কৰে। গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত জনসভাত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কামাখ্যা প্ৰসাদ তাছাক বিপুল ভোটত জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়। একেদৰে, অসম জন মৰ্চাৰ চেলিম আহমেদ, নিৰ্দলীয় প্ৰাৰ্থী দিলোৱাৰা বেগম চৌধুৰী, আব্দুল হক, ত্ৰিদীপজ্যোতি ভূঞা, জ্যোতিষ্ক ৰঞ্জন গোস্বামীৰ লগতে ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেচনেলৰ প্ৰাৰ্থী অনিমা ডেকা গুপ্তা আৰু ৰিপাব্লিকান পাৰ্টি অৱ ইণ্ডিয়াৰ চালেহ আহমেদ মজুমদাৰে মনোনয়ন দাখিল কৰিছে। অন্তিম দিনৰ অন্তত কাজিৰঙা সমষ্টিৰ বাবে সৰ্বমুঠ ১২ জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

আনহাতে, শোণিতপুৰ লোকসভা সমষ্টিত ৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থী ৰঞ্জিত দত্তই সমৰ্থকৰ সৈতে সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়নপত্ৰ দাখিল কৰে। তেওঁৰ মনোনয়ন দাখিলৰ সময়ত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, মন্ত্ৰী অশোক সিংহল, জয়ন্ত মল্ল বৰুৱা, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ লগতে কেইবাগৰাকী বিধায়ক দলীয় নেতা উপস্থিত থাকে। একেদৰে, আম আদমী পাৰ্টিৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্য, বিপিএফৰ প্ৰাৰ্থী ৰাজু দেউৰী, জিপিএছৰ প্ৰাৰ্থী ৰিংকু ৰয়ে মনোনয়ন দাখিল কৰে। বি এম পিৰ প্ৰাৰ্থী মহম্মদ আলম আলী আৰু ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেচনেলৰ পৰা কামেশ্বৰ স্বৰ্গীয়াৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ১১ নম্বৰ শোণিতপুৰ লোকসভা সমষ্টিৰ পৰা সাংসদ পদৰ বাবে সৰ্বমুঠ ৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ কেইবাগৰাকী প্ৰাৰ্থীয়েও আজি মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ ভিতৰত লখিমপুৰৰ কংগ্ৰেছ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকাও আছে। উল্লেখযোগ্য যে, প্ৰথম পৰ্যায়ৰ বাবে মনোনয়নপত্ৰ দাখিলৰ আজি অন্তিম দিন আৰু কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

00000000

————অহা ১৯ এপ্ৰিলত ৰাজ্যৰ ৫টা লোকসভা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ডিব্ৰুগড় নিৰ্বাচনী জিলাত নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে দেশৰ নিৰ্বাচন আয়োগে ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জয়প্ৰকাশ শিৱহাৰেক সাধাৰণ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। পৰ্যবেক্ষকগৰাকীয়ে ৰাইজৰ নিৰ্বাচন সংক্ৰান্তীয় ওজৰ-আপত্তি থাকিলে 86385-45057 ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে। তেওঁ লগতে কোনো প্ৰলোভনৰ বশৱৰ্তী নোহোৱাকৈ নিজৰ বিচাৰ-বিবেচনাৰে ভোটদান কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। ধুবুৰী লোকসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৪১৬ গৰাকী প্ৰথম পোলিং বিষয়াক আজি ভোটগ্ৰহণৰ প্ৰশিক্ষণ দিয়া হয়। উল্লেখযোগ্য যে জিলাখনত ৩৪৭ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব। জিলা প্ৰশাসনৰ উদ্যোগত কালি ৪১৬ গৰাকী প্ৰিজাইডিং বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। কাইলৈ দ্বিতীয় আৰু পৰহিলৈ তৃতীয় প'লিং বিষয়াসকলক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। গোলাঘাট জিলাৰ অন্তৰ্গত বোকাখাত উপ-জিলাত আজি লোকসভা নিৰ্বাচনৰ শুভংকৰ উন্মোচন কৰা হয়। ভোটদাতাসকলৰ মাজত ভোটদানৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত ছুইপ কোষৰ উদ্যোগত আজি বিন্দু নামৰ শুভংকৰটো অসমৰ অন্যতম সম্পদ এটা খড়্গযুক্ত গঁড়ক প্ৰতীক হিচাপে লৈ প্ৰস্তুত কৰা হৈছে। বোকাখাতৰ জিলা নিৰ্বাচনী বিষয়া চিমি কৰণে শুভংকৰটো উন্মোচন কৰে।

00000000

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল’গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল’ব পাৰিব। শ্ল’গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

oooooooo

**সমাপ্ত**